*সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...*

Govt. of Assam Approved

*গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক*

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ১৯ সংখ্যা, ১ জেঠ, ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 19 *Date Of Published - 16 MAY 2021 Rs. 5.00/-

## কোভিডৰ বাবে ৰাজ্যত আজিৰ পৰা নতুন SOP ঃ ১১ বজাৰ পৰা লক্‌ডাউন

বাৰ্ত্তাসেৱাঃ- নিয়ন্ত্ৰণহীন হৈ পৰা ক'ভিড পৰিস্থিতিৰ বাবে সম্পূৰ্ণ লক্‌ডাউনৰ দিশে আগবাঢ়িব ধৰিছে ৰাজ্য। কোভিড বাবে ক্ৰমান্বয়ে পৰিৱৰ্তিত পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে সময়ে সময়ে সাল-সলনি কৰিবলগীয়া হৈছে নীতি-নিৰ্দেশনা। চৰকাৰে লক্‌ডাউন ঘোষণা কৰিব নিবিচৰা স্বত্বেও কোভিড আক্ৰান্তৰ সংখ্যা আৰু মৃতকৰ সংখ্য দৈনিক ক্ৰমবৰ্দ্ধমান হাৰত বৃদ্ধি হৈ অহাৰ বাবে এনে ধৰণৰ সিদ্ধান্ত গ্ৰহণ কৰে ৰাজ্য চৰকাৰে। এনেদৰে ক্ৰমান্বয়ে পৰিৱৰ্তিত নীতি-নিৰ্দেশনাসমূহে ইংগিত বহন কৰিছে যে অচিৰেই ৰাজ্যৰ বিভিন্ন অঞ্চল লকডাউনৰ গ্ৰাসলৈ অহাৰ সম্ভাৱনা অধিক।



## দিনত ২৪ ঘণ্টাই কাৰ্যক্ষম হৈ থকাৰ প্ৰতিশ্ৰুতি হিমন্ত বিশ্ব চৰকাৰৰ


বাৰ্ত্তাসেৱাঃ- নিৰ্বাচনৰ সময়ত দিয়া সকলো প্ৰতিশ্ৰুতি যাতে নিৰ্ধাৰিত সময়ৰ ভিতৰত পালন কৰিব পাৰে তথা ৰাজ্যখনৰ বিকাশে নতুন গতি লাভ কৰে তাৰ বাবে চৰকাৰে অহোপুৰুষাৰ্থ কৰি যাব বুলি কয়। সমান্তৰালভাৱে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জনাই যে নতুন চৰকাৰৰ প্ৰথমখন কেবিনেট বৈঠক অনুস্থিত হ'ব আৰু সেই কেবিনেট বৈঠকৰ মাজতেই ৰাইজে শপতগ্ৰহণৰ ২৪ ঘণ্টাৰ ভিতৰত কামত নামি পৰা এখন চৰকাৰ দেখা পাব। ক'ৰ'নাৰ দৰে ভয়াৱহ প্ৰত্যাহ্বান লৈও চৰকাৰখনে কাম কৰি যাব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে প্ৰত্যাহ্বানে মানুহক কাম



কৰাৰ হেপাহ আনি দিয়ে। প্ৰবল প্ৰত্যাহ্বান নেওচি মানুহ এভাৰেষ্টটতো উঠিছে। গতিকে সকলো প্ৰত্যাহ্বান লৈ তেওঁ আগন্তুক দিনত কাম কৰি যাব বুলি কয়। সংবাদমেলত কেইবাটাও দিশৰ লগতে মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰধানতঃ এন আৰ চি আৰু জনজাতিকৰণ সন্দৰ্ভত গুৰুত্বপূৰ্ণ মন্তব্য কৰে। এন আৰ চি সন্দৰ্ভত মুখ্যমন্ত্ৰীৰূপে ড°হিমন্ত বিশ্ব শৰ্মাই কিদৰে কাম আগবঢ়াই নিব সেই সম্পৰ্কে সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে এন আৰ চিক লৈ

*(ছয়পৃষ্ঠাত চাওক)*

## উত্তৰ প্ৰদেশত ক'লা ভেঁকুৰৰ সংক্ৰমণ



বাৰ্ত্তাসেৱাঃ- উত্তৰ প্ৰদেশত ক'ৰ'নাৰ সমান্তৰালভাৱে ব্লেক ফাংগাছ বা ক'লা ভেঁকুৰৰ সংক্ৰমণে সৃষ্টি কৰিছে আতংকৰ। উত্তৰ প্ৰদেশত ৭৩ জন লোক ব্লেক ফাংগাছৰ দ্বাৰা সংক্ৰমিত হোৱাৰ তথ্য পোহৰলৈ আহিছে। ইয়াৰে সৰ্বাধিক সংক্ৰমণৰ ঘটনা সংঘটিত হৈছে বাৰাণসীত। বৰ্তমানলৈ বাৰাণসীত ২০ জন, লক্ষ্ণৌত ১৫ জন, গোৰখপুৰত ১০ জন, প্ৰয়াগৰাজত ৬ জন, গৌতমনগৰত ৫ জন, মিৰাটত ৪ জন,

*(ছয়পৃষ্ঠাত চাওক)*

# ক'ৰ'নাৰ এই দ্বিতীয় ঢৌৰ সময়ত ভাৰত ভ্ৰমণ নকৰিবলৈ সতৰ্ক ইউৰোপীয় সংঘৰ

বাৰ্ত্তাসেৱাঃ- ইউৰোপীয় সংঘৰ অন্তৰ্গত দেশসমূহৰ নাগৰিকক ভাৰত ভ্ৰমণ নকৰিবলৈ সতৰ্ক কৰি দিয়া হৈছে। অতি জৰুৰী নহ'লে ইউৰোপীয় সংঘৰ দেশসমূহৰ নাগৰিকে যাতে ভাৰত ভ্ৰমণ নকৰে সেই বিষয়ে সংঘৰ কাৰ্যবাহীয়ে বুধবাৰে সতৰ্ক কৰি দিয়ে। ভাৰতত কৰ'না ভাইৰাছৰ ভয়াৱহ সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি এই সতৰ্কীকৰণ জাৰি কৰা হৈছে। ইউৰোপীয় আয়োগে ব্যক্ত কৰা মতে বিশ্ব স্বাস্থ্য সংস্থাই ভাৰতত উদ্ভৱ হোৱা কৰ'নাৰ প্ৰকৰণ উদ্বিগ্নতাৰ কাৰণ বুলি সতৰ্ক কৰি দিয়াৰ পাছতে নাগৰিকসকলক ভাৰত ভ্ৰমণ নকৰিবলৈ আহ্বান জনোৱা হয়। এক বিবৃতিত সংঘই উল্লেখ কৰা মতে ভাৰতৰ পৰা কৰ'নাৰ সংক্ৰমণ আন দেশলৈ বিয়পি নপৰিবলৈ, এনে সাৱধানতা অৱলম্বন কৰা হৈছে।



# বিত্তীয় বিভাগৰ কাম-কাজৰ পৰ্যালোচনা মুখ্যমন্ত্ৰীৰ

বাৰ্ত্তাসেৱাঃ- মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিত্ত বিভাগৰ শীৰ্ষ বিষয়াসকলৰ সৈতে এক গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হৈ কোভিড-১৯ৰ বিৰুদ্ধে চলাই থকা যুঁজখন আৰু অধিক শক্তিশালী কৰাৰ দিশত সহায়ক হোৱাকৈ স্বাস্থ্য বিভাগৰ সৈতে জড়িত যিকোনো ফাইলৰ ওপৰত অগ্ৰাধিকাৰ প্ৰদান কৰিবলৈ নিৰ্দেশ দিয়ে। বিত্ত বিভাগৰ সভাকক্ষত বিত্তমন্ত্ৰী অজন্তা নেওগৰ উপস্থিতিত অনুষ্ঠিত উক্ত পৰ্যালোচনা বৈঠকত মুখ্যমন্ত্ৰী ড০ শৰ্মাই এই




মহামাৰীৰ বিৰুদ্ধে চলাই থকা যুঁজখন আৰু অধিক শক্তিশালী কৰাৰ বাবে বিত্ত বিভাগে স্বাস্থ্য বিভাগৰ ফাইলসমূহ খৰতকীয়াকৈ নিষ্পত্তি কৰাৰ পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়ে।

*(ছয় পৃষ্ঠাত চাওক)*

# বিশিষ্ট্য সাহিত্যিক, সাংবাদিক হোমেন বৰগোহাঁইৰ মহাপ্ৰস্থান



বাৰ্ত্তাসেৱাঃ- অন্ত পৰিল অসমীয়া সাহিত্যৰ বৰ্ণাঢ্য পৰিক্ৰমাৰ। উল্লেখ্য যে পুৱতি নিশা প্ৰায় তিনি বজাত বৰেণ্য সাহিত্যিকগৰাকী গুৱাহাটী মহানগৰীৰ হেঙেৰাবাৰীস্থ বাসগৃহত শুই থকা অৱস্থাতে বিছনাৰ পৰা বাগৰি পৰে। পাছত তেওঁৰ লগত দীৰ্ঘদিন থকা ল'ৰা দুজনে পুৱা ৬.১৫ বজাত দিছপুৰস্থিত জি এন আৰ চিলৈ লৈ যায় আৰু চিকিৎসকৰ সকলো চেষ্টাক অসাৰ প্ৰতিপন্ন কৰি

*(ছয় পৃষ্ঠাত চাওক)*

# ১৫ দিনলৈ বন্ধ থাকিব কামাখ্যা দেৱালয়

বাৰ্ত্তাসেৱাঃ- সমগ্ৰ দেশ কিম্বা ৰাজ্যখনৰ সমান্তৰালকৈ ৰাজধানী মহানগৰী গুৱাহাটীৰ কোভিডকেন্দ্ৰিক পৰিস্থিতি ক্ৰমাৎ অতি ভয়াৱহ হৈ পৰিছে। ৰাজ্য চৰকাৰে ক'ৰ'না ভাইৰাছ প্ৰতিৰোধৰ বাবে এক নিৰ্দেশনা জাৰি কৰিছে যদিও গুৱাহাটী মহানগৰীৰ নাগৰিকক সংযত কৰিবলৈ অদ্যাপি কোনো ধৰণৰ আইনগত ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। যাৰবাবেই গুৱাহাটী মহানগৰীত প্ৰতিদিনে বৃদ্ধি পাই গৈছে কৰ'নাক্ৰান্ত লোকৰ সংখ্যা। এনে এক ভয়াৱহ পৰিস্থিতিয়ে বিশ্বৰ অন্যতম শক্তিপীঠ হিচাপে পৰিচিত গুৱাহাটী মহানগৰীৰ ঐতিহাসিক নীলাচল পাহাৰস্থিত কামাখ্যা মন্দিৰলৈ কঢ়িয়াই আনিছে এক অশনি সংকেত। ইপিনে ৰাজ্য চৰকাৰে ১২ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ



পোন্ধৰ দিনলৈ ৰাজ্যৰ মঠ-মন্দিৰসমূহকে ধৰি উপাসনাস্থলীসমূহ বন্ধ ৰাখিবলৈ নিৰ্দেশনা জাৰি কৰাৰ পাছত তেনে নিৰ্দেশনাৰ প্ৰতি সন্মান জনাই ঐতিহাসিক শক্তিস্থল কামাখ্যা দেৱালয় কৰ্তৃপক্ষই কামাখ্যা দেৱালয়ৰ লগতে নীলাচল পাহাৰৰ অন্যান্য দেৱালয়সমূহো বন্ধ থাকিব বুলি এক বিবৃতিৰ জৰিয়তে সদৰী কৰিছে।

১ জেঠ, ১৪২৭ চন Rongili Barta, Date of Published- 16 MAY, 2021

# যোৰহাট জিলা আইন সেৱা প্ৰাধিকৰণৰ তৰফৰ পৰা মাস্ক আৰু চেনিটাইজাৰ বিতৰণ

বাৰ্ত্তাসেৱাঃ- ইংৰাজী মাহৰ ১৩ মে, ২০২১ তাৰিখে যোৰহাট জিলা আইন সেৱা প্ৰাধিকৰণৰ তৰফৰ পৰা এক সুন্দৰ পদক্ষেপ গ্ৰহণ কৰা হয়। যোৰহাট জিলা আইন সেৱা প্ৰাধিকৰণে যোৰহাট কেন্দ্ৰীয় কাৰাগাৰৰ সকলো মাস্ক আৰু চেনিটাইজাৰ বিতৰণ কৰে। যোৰহাট জিলা আইন সেৱা প্ৰাধিকৰণৰ সচিব তথা অসম ন্যায়িক সেৱাৰ বিষয়া শ্ৰী বংকিম শৰ্মাৰ তত্বাৱধানত অনুষ্ঠিত হোৱা এই বিতৰণ অনুস্থানত যোৰহাট জিলাৰ সকলো আবাসীৰ বাবে একোখনকৈ মাস্ক আৰু চেনিটাইজাৰ বিতৰণ কৰা হয়। যোৰহাট কেন্দ্ৰীয় কাৰাগাৰৰ অধীক্ষক শ্ৰীমতী চম্পাকলি বৰদলৈৰ উপস্থিতিত জিলা আইনসেৱা প্ৰাধিকৰনে কাৰাগাৰৰ কৰ্তৃপক্ষক এই সামগ্ৰীসমূহ প্ৰদান কৰে। যোৰহাট জিলা আইন সেৱা প্ৰাধিকৰণৰ সচিব শ্ৰী বংকিম শৰ্মাই এই ক্ষেত্ৰত কয় যে বৰ্তমান কোভিড-ৰজ্বাৰ এই মহামাৰীৰ সময়ত ব্যক্তি এজনক মাস্ক আৰু চেনিটাইজাৰৰ ব্ৰহাৰেহে প্ৰথমিক ভাৱে সুৰক্ষা প্ৰদান কৰিব পাৰে। তেওঁ লগতে কয় যে কাৰাবাসী সকলৰ সুৰক্ষাৰ বাবে জিলা আইন সেৱা প্ৰাধিকৰণে সকলো প্ৰকাৰৰ প্ৰচেষ্টা হাতত লৈছে আৰু বিভিন্ন প্ৰক্ৰিয়াৰ অধীনত লঘু অপৰাধত বিচাৰাধীন হৈ থকা কাৰাবাসীক জামিন অথবা পেৰোলত সাময়িক ভাৱে মুকলি কৰাৰ বিষয়েপ্ৰচেষ্টা হাতত লোৱা হৈছে। কেন্দ্ৰীয় কাৰাগাৰৰ কৰ্তৃপক্ষই যোৰহাত জিলা আইন সেৱা প্ৰাধিকৰণৰ এই প্ৰচেষ্টা সলাগ লয়।

# গুৱাহাটীৰ কণ্টেইনমেণ্ট জ'নত টিনৰ বেৰা




বাৰ্ত্তাসেৱাঃ- প্ৰশাসনে মহানগৰীৰ তিনিটাকৈ ৱাৰ্ড ক্ৰমে ৮,১৬, ২৮ নং ৱাৰ্ডকেইটা কণ্টেইমেণ্ট অঞ্চলত ঘোষণা কৰিছে। ৱাৰ্ডকেইটাৰ বিভিন্ন পথত বাঁহ বান্ধি আৰক্ষীয়ে যাতায়ত বন্ধ কৰি দিয়াৰ পাছতো একাংশ লোকে বিভিন্ন অজুহাত দেখুৱাই কণ্টেইনমেণ্ট জ'নৰ পৰা অবাধ চলাচল কৰি আহিছিল। আনকি পথ বন্ধ কৰি বাঁহ আতৰায়ো একাংশই দুচকীয়া-চাৰিচকীয়া চলাচল কৰাৰ ফলত সমস্যাৰ সন্মুখীন হ'ব লগা হৈছিল কোভিড প্ৰট'কল উলংঘা কৰি ওলাই-সোমাই ফুৰা লোকে বাহিৰৰ দোকান-বজাৰলৈ জাতায়ত কৰাৰ ফলত কণ্টেইনমেণ্ট জ'নৰ বাহিৰৰ লোকসকল শংকিত হ'ব লগা হৈছে। বিশেষকৈ ১৬ ৱাৰ্ডত লৈ

(ছয়পৃষ্ঠাত চাওক)

# এতিয়ালৈ ১১০টা মৃতদেহ উদ্ধাৰঃ স্থানীয় লোকৰ মাজত আতংক



বাৰ্ত্তাসেৱাঃ- দুদিনৰ ভিতৰতে গংগাৰ পাৰত প্ৰায় ১১০টা মৃতদেহ উদ্ধাৰ হোৱাৰ পাছত স্থানীয় লোকসকল আতংকিত হৈ পৰিছে। শেহতীয়াকৈ বলিয়া অঞ্চলতো গংগাৰ পাৰত ১২টাৰো অধিক মৃতদেহ উদ্ধাৰ হৈছে। এনে অৱস্থাত বক্সাৰত উদ্ধাৰ হোৱা মৃতদেহতো উত্তৰ প্ৰদেশৰ পৰা ভাহি অহা বুলি আশংকা কৰা হৈছে। গংগা গাজীপুৰ আৰু বলিয়া হৈ বক্সাৰলৈ প্ৰবাহিত হোৱা বাবেই মৃতদেহবোৰ উত্তৰ প্ৰদেশৰ পৰা ভাহি অহা বুলি সন্দেহ তীব্ৰতৰ হৈছে। স্থানীয় লোকে জনোৱা মতে মঙলবাৰে নিশাৰে পৰা প্ৰশাসনে ৮০-৮৫টা মৃতদেহ গংগাৰ পাৰত সমাধিস্থ কৰিছে। অৱশ্যে প্ৰশাসনে সেই সংখ্যা ২৪ বুলিহে প্ৰকাশ কৰিছে। ইফালে কেন্দ্ৰীয় চৰকাৰে ঘটনাটো সন্দৰ্ভত ৰাজ্য চৰকাৰক তদন্ত কৰাৰ নিৰ্দেশ দিছে। ক'ৰ'নাৰ বাবে বহু লোকৰ মৃত্যু হৈ থকাৰ মাজতে মৃতদেহ গংগা বা অন্যান্য নদীত উটুৱাই দিয়া ঘটনা সম্পৰ্কত ৰাজ্য চৰকাৰক অনুসন্ধান কৰি ব্যৱস্থা ল'বলৈ কেন্দ্ৰীয় চৰকাৰে নিৰ্দেশ দিয়ে। স্মৰ্তব্য যে সোমবাৰে বিহাৰৰ বক্সাৰস্থিত চৌছা শ্মশানঘাটত ৭১টাৰো অধিক মৃতদেহ গংগাত উদ্ধাৰ হৈছিল। উক্ত মৃতদেহবোৰ আৰক্ষীয়ে জেচিবিৰ সহায়েৰে সমাধিস্থ কৰিছে। মৃতদেহবোৰৰ ডি এন এ আৰু কোভিড পৰীক্ষা কৰোৱাৰ বাবে নমুনাও সংগ্ৰহ কৰা হৈছে।

# ভাৰতত ৰাচিয়াৰ স্পুটনিক-৫ ভেকচিন

বাৰ্ত্তাসেৱাঃ- কৰ'নাৰ বিভীষিকাময় পৰিস্থিতিৰ মাজত কোভেক্সিন আৰু কোভিশ্বিল্ডৰ যোগান সীমিত হৈ থকাৰ সময়তে দেশবাসীলৈ আহিছে এক আশাৰ বতৰা ।কিয়নো অহা সপ্তাহৰ ভিতৰতেই দেশত উপলব্ধ হ'ব ৰাছিয়াত উৎপাদিত কৰ'না প্ৰতিৰোধী বিশ্বৰ প্ৰথমটো ভেকচিন স্পুটনিক-৫। এই কথা বৃহস্পতিবাৰে সংবাদ মাধ্যমক অৱগত কৰিছে নীতি আয়োগৰ সদস্য ডাঃ ভি কে পলে । তেওঁ কৈছে যে ৰাছিয়াৰ পৰা ইতিমধ্যে ভাৰত আহি পাইছেহি স্পুটনিক-৫ ভেকচিন। এই স্পুটনিক-৫ ভেকচিন দেশৰ বজাৰত অহা সপ্তাহৰ ভিতৰতেই উপলব্ধ হব বুলি তেওঁ উল্লেখ কৰে। ৰাছিয়াৰ পৰা আমদানি হোৱা স্পুটনিক-৫ দেশৰ বিভিন্ন প্ৰান্তত জনসাধাৰণৰ মাজত বিক্ৰীৰ প্ৰক্ৰিয়া অহা সপ্তাহত আৰম্ভ হ'ব বুলি তেওঁ আশা ব্যক্ত কৰে। ৰাছিয়াৰ পৰা পুনৰ এই ভেকচিনৰ আমদানি হ'ব বুলি উল্লেখ কৰি ডাঃ পলে কয় যে ভাৰতত অহা জুলাইৰ পৰা আৰম্ভ হ'ব স্পুটনিক-৫ৰ উৎপাদন। প্ৰথম পৰ্যায়ত ভাৰতত স্পুটনিক-৫ৰ ১৫.৬ কোটি ডোজ উৎপাদন কৰা হ'ব। মন কৰিবলগীয়া যে কোভেক্সিন আৰু কোভিশ্বিল্ডৰ পাছত ভাৰতত প্ৰয়োজন হ'বলগীয়া স্পুটনিক-৫ তৃতীয়টো কৰ'না প্ৰতিৰোধী ভেকচিন হিচাপে চিহ্নিত হ'ব।

## সম্বন্ধ

**অলকা দাস**

সম্বন্দ এনে এটি নাম যাৰ অৰ্থ দিবলৈ
হয়তো সকলোৱে সামৰ্থ নহব পাৰে।।
কিন্তু, মোৰ ভাষাত প্ৰকাশ কৰিব, বিচাৰোঁ
সেই সম্বন্ধৰ নামটিৰ অৰ্থ—
—দাদাৰ বাবে হল, বৌ
—বাৰ বাবে হল, ভিন্দেও
—দেউতাৰ বাবে হল ঘৰখনৰ দায়ীত্ব
আৰু মোৰ মাৰ বাবে হল ঘৰখন,
সকলো বিষয়ত নজৰ ৰাখি,
সকলোৱে সুখৰ কথা ভবা।।।।।।
তেওঁ সকলো সমস্যাৰ লগত যুঁজি
আমাক জয় কৰাইছে
নিজে পুৰণ কাপোৰ পিন্ধি,
আমাক ৰজা, ৰাণীৰ দৰে সজাইছে
কোনো কোনো অভাৱৰ কথা নাভাবি, পোনা
প্ৰথম—
মোৰ সুখ বিচাৰে.....এনে
এনে নিস্বাৰ্থ তেওঁৰ ভালপোৱাক—
কিয় মই নিদিওঁ—
তেওঁক মোৰ প্ৰথম আৰু শেষ সম্বন্ধৰ নাম
আপুনিয়েই হল মোৰ সুখ
আপুনিয়েই হল মোৰ প্ৰথম লক্ষ্য
আপুনিয়েই হল মোৰ প্ৰথম সম্বন্ধ।।
Love You .........Maa

# মাৰাঠাৰ সংৰক্ষণ বাতিল কৰিলে উচ্চতম ন্যায়ালয়ে



বাৰ্ত্তাসেৱাঃ- চৰকাৰী চাকৰি আৰু শিক্ষাত মাৰাঠাৰ বাবে থকা সংৰক্ষণ বাতিল কৰে উচ্চতম ন্যায়ালয়ে। ন্যায়ালয়ে ইয়াক অসাংবিধানিক আখ্যা দি কয় যে ইয়াৰ জৰিয়তে ৫০ শতাংশৰ সীমা অতিক্ৰম কৰা হৈছে। ন্যায়াধীশ অশোক ভূষণ, এল এন ৰাও, এছ এ নাজীৰ, হেমন্ত গুপ্তা আৰু এছ ৰবীন্দ্ৰ ভাটৰ পাঁচজনীয়া বিচাৰপীঠে মহাৰাষ্ট্ৰৰ পূৰ্বৰ বিজেপি চৰকাৰে অনা ১৬ শতাংশ সংৰক্ষণৰ সাংবিধানিক বৈধতা পৰীক্ষা কৰি ইয়াৰ জৰিয়তে সমানতা উলংঘা কৰা বুলি কয়। আদালতে কয় যে সামাজিক, আৰ্থিকভাৱে পিছপৰা জাতিৰ তালিকাত কোনো জাতি সন্নিবিষ্ট কৰাৰ ক্ষমতা ৰাজ্যৰ নাই। ৰাজ্যই কেৱল জাতি চিহ্নিত কৰি কেন্দ্ৰলৈ পৰামৰ্শহে আগবঢ়াব পাৰে। এন বি চি আয়োগৰ পৰামৰ্শক্ৰমে এছ ই বি বি চিৰ তালিকাত কেৱল ৰাষ্ট্ৰপতিয়েহে কোনো জাতিৰ নাম সন্নিৱিষ্ট কৰিব পাৰে। বিচাৰপীঠে ৫০ (ছয়পৃষ্ঠাত চাওক)

## পাঁচ পইচাৰ পৃথিৱী

**মহেশ মেধি**




মহানগৰীখনত দিনে দিনে কোলাহল বৃদ্ধি হৈ আহিল। কল-কাৰখানা, গাড়ী-মটৰৰ আৱাজটো আছেই আনহাতে সভা-সমিতিৰো আয়োজনো কম নহয় চকুৰ পচাৰতে গুৱাহাটীখন জনাৰণ্য হৈ পৰিল, যি ঠাইত আগতে বাঘ ভালুক ওলাইছিল সি হৈ পৰিল মানুহেই মানুহ। গতিকে জনসংখ্যা বৃদ্ধি হোৱাৰ লগে লগে কোলাহলো বেছি হোৱাটো তেনেই স্বাভাৱিক।

নগৰ চহৰত অলপ ডাঙৰকৈ চিএৰ এটা মাৰিলেই, মানুহেই মানুহ গোট খোৱা দস্তৰ, অলপ হতাহতি হলে বগা ভাতত কাউৰী উৰি আহি পৰাৰ দৰে মানুহ তৎণাত ভৰি পৰে। অৱশ্যে ডাঙৰ ডাঙৰ মহানগৰীবোৰত তেনেকৈ ভৰি নপৰে, কিয়নো তেনেকুৱা ঘটনা সদায়ে ঘটি থাকে আৰু চাবলৈও তেওঁলোকৰ সময় নাই। কিন্তু আমাৰ এই গুৱাহাটীত অলপ ব্যতিক্ৰম, প্ৰায় ঠাইতে মানুহৰ জুম দেখা যায়। কোনোৱে চিএৰি চিএৰি বনৌষধি দ্ৰব্য বিক্ৰী কৰিছে, কোনোৱে বা সাপৰ খেলা দেখুৱাই মানুহ গোট খোৱাইছে দু পইচা উপাৰ্জনৰ হেতুকে কোনোৱে বা আকৌ বান্দৰৰ খেলা দেখুৱাইয়ো মানুহৰ জুম বন্ধাইছে, এইদৰে অনেক ঘটনা মহানগৰীখনৰ বুকুত অহৰ্নিশে ঘটিয়ে আছে।

ভোগালী বিহুৰ উৰুকাৰ শীতল আবেলি। অসমীয়া ৰাইজৰ উৰুকাৰ 'খানা'ৰ বজাৰ-সমাৰ কৰাৰ আনন্দ মুখৰ ব্যস্ততা। মহাত্মা গান্ধী পথ ছোৱাত পিপৰাৰ নিচিনা লানি নিছিগা গাড়ী-মটৰ, ৰিক্সা, ঠেলা আদি আৰু পথচাৰী লোকৰ ভীৰ। কেৱল মানুহবোৰ নিজৰ কৰ্ত্তব্যৰ খাতিৰত দৌৰিছেহে দৌৰিছে, কাৰো যেন আহৰি নাই আনক চাবলৈ। ময়ো নিজৰ অফিচৰ পৰা এই মহাত্মা গন্ধী পথছোৱাৰে আগবা থাকোতেই চকুত পৰিল মহাবীৰ পাৰ্কৰ জুমটোলৈ। অৱশ্যে মানুহৰ জুমাজুমি দেখিলে মই আগবাঢ়ি গৈ কিনো ঘটনা ঘটিল তাকে চোৱা আৰু জানি লোৱাটো মোৰ এটা বদঞ্জ অভ্যাস আছে। ভগৱান মহাবীৰ পাৰ্কখনত গোটখোৱা লোক খিনি দেখি মনটোক দমাব নোৱাৰি আগবাঢ়িলো জুমটোৰ ফালে।

পুহমহীয়া ঠাণ্ডাৰ অন্তিম দিন। ঠেৰেঙা শীত, তাতে আকৌ সেৰ সেৰীয়া বতাহ বলি আছিল। ব্ৰহ্মপুত্ৰৰ পৰা বৈ অহা এই শীতল বতাহখিনিৰ বাবে ঠাণ্ডা এনেহেন লাগিছিল যেন কটা ঘাঁত খাৰহে ঢালি দিছে। পশ্চিম আকাশত উত্তাপ বিহীন সুৰুঞ্জ্যৰ হেঙুলী আভা সিচৰিত হৈ পৰিছিল চৌপাশে, কিয়নো সুৰুঞ্জয় পাতত পৰিবলৈ আৰু বেছি সময় নাছিল।

মানুহৰ ভীৰ ঠেলি আগবাঢ়িলোঁ কিনো তাত ঘটিল চাবলৈ। মানুহবোৰ আহিছে আৰু গৈ আছে। মানুহবোৰে কেৱল ছিঃ ছিঃ কৰি দুখ প্ৰকাশ কৰাহে মোৰ কাণত পৰিছিল।

ঃ হেৰি চাওঁ মোক অলপ যাবলৈ দিয়কচোন ?

কোনোৱে মোৰ কথা শুনা নাছিল। প্ৰতিজনৰ এটাই মাত্ৰ উৎসুকতা, কিনো ঘটনা ঘটিল জানিবলৈ। ভীৰ ঠেলি যাব পৰা নাছিলো। উপায় নেপাই দিলো ডাঙৰকৈ চিএৰি —

ঃ হেয় হু কি চাই আছা ইয়াত। হাত দুখন উজাল মাৰি দিলো। চিএৰ শুনি মোক ৰাস্তাটো এৰি দিলে। আগবাঢ়ি গৈ থাকিলো। আগতেই কৈছো নহয়, মহানগৰীত ডাঙৰকৈ আতাহ পাৰি কিবা এযাৰ কলেই মানুহ গোট খায় যায় আৰু কিবা সাংঘাতিক ঘটনা ঘটিল বুলি ভাবে। মোৰ চিএৰ শুনি আৰু মানুহজন দেখি 'এখেতক যাবলৈ দিয়ক, এখেতক যাবলৈ দিয়ক' বুলি ৰাস্তাটো এৰি দিলে।

গহীন ভাবে ঘটনাৰ কেন্দ্ৰস্থললৈ আগবাঢ়ি থাকিলো। ঘটনাস্থলী পাই মই হতবাক। জুমটোৰ দুই এজনক সুধিলো (পাঁচপৃষ্ঠাত চাওক)

# পাঁচ পইচাৰ পৃথিৱী

মহেশ মেধি

যদিও কাৰো পৰাই সদুত্তৰ নাপালোঁ, কোনোৱেই একো কব নোৱাৰিলে। এই আপদীয়া ঘটনাটো ঘটিল কেনেকৈ। বুকুখন যেন মোৰ গোট মাৰি বৰফ হৈ পৰিছিল। এনেতে দূৰৰ পৰা নৰেণে মোক দেখি মানুহৰ ভীৰ ঠেলি উধাতু খাই মোৰ কাষ পালে আৰু কলে —

ঃ হাজৰিকা দা আপুনি।

ঃ অঃ নৰেণ, কোৱাচোন ঘটনাটো কেনেকৈ ঘটিল।

ঃ বুইছে হাজৰিকা দা একেবাৰে সামান্য কথাৰ বাবেই এই অঘটনটো ঘটিল। সিহঁত দুয়োজনেই খেলি আছিল। ভি াৰী ল'ৰা। এই মহাবীৰ পাৰ্কত খেলি থাকোতেই দুয়ো এটা পইচা পালে, তাকে লৈ দুয়োজনৰ টনা আজোৰা লাগিল। মানুহ জমা হল সিহঁতৰ যুদ্ধ দেখি। কিছুমান মানুহে মাৰা মাৰি লগাত উৎসাহ দিলে দুয়োকে। দুয়োজনৰে উৎসাহ বাঞ্জি গৈ থাকিল মানুহ বিলাকে ফুৰ্ত্তি পালে। দুয়োৰে বগৰা বাগৰি লাগি থাকোতেই এজনে আন এজনৰ গুপ্তাংগত গোৰ মাৰি দিলে — সিজনেও দিলে। ফলত দুয়ো মাটিত বাগৰি পৰিল আৰু হাতৰ পৰা চিটিকি পৰিল এটি মাত্ৰ পাঁচ পইচা। ঘটনা ইমানেই —

এনেতে ত্ৰিং ত্ৰিং কৈ কলিং বেলটো বাজি উঠিল। উঠি গৈ দেখো যে — ৰমা বৰুৱা

ঃ ঘৰত কোনো নাই নেকি ?

ঃ মাকৰ গৰলৈ গ'ল।

ঃ কিবা লিখি আছিল হবলা ?

ঃ বহক গল্পৰ দুই এটা প্‌-ট বনাই আছিলো — ৰব দেই বৰুৱা মই শেষ বাক্যটি লিখি থওঁ। স্থস্থস্থ.এবুকু ৱেদনা লৈ লাহে লাহে মই জুমটোৰ পৰা আঁতৰি গ'লো মাথোন আহত জতায়ুৰ দৰে। দেখো যে পশ্চিম আকাশত শৰাইঘাটত সূৰঞ্জয্যটো ডুব যাব ধৰিছে।

ঃঃ—ঃঃ



# মাৰাঠাৰ সংৰক্ষণ বাতিল কৰিলে

শতাংশ সংৰক্ষণৰ বিষয়টো পুনৰ পৰীক্ষাৰ কোনো প্ৰয়োজন নাই বুলিও মন্তব্য কৰে। তদুপৰি নতুন সংৰক্ষণ ব্যৱস্থাৰ অধীনত ইতিমধ্যে হৈ যোৱা চিকিৎসা পাঠ্যক্ৰমৰ নামভৰ্তি আৰু নিয়োগ বাহাল থাকিব বুলিও কয় আদালতে। উল্লেখ্য যে ২০১৮ চনত মহাৰাষ্ট্ৰৰ বিজেপি চৰকাৰে সামাজিক আৰু শৈক্ষিকভাৱে পিছপৰা শ্ৰেণী (এছ ই বি চি) আইনৰ জৰিয়তে মাৰাঠা সম্প্ৰদায়ৰ বাবে ১৬ শতাংশ সংৰক্ষণৰ ব্যৱস্থা কৰিছিল।

# বিত্তীয় বিভাগৰ কাম-কাজৰ পৰ্যালোচনা মুখ্যমন্ত্ৰীৰ

বৈঠকত মুখ্যমন্ত্ৰীয়ে জনকল্যাণমূলক আঁচনিসমূহৰ বাবে সকলো বিত্তীয় নিয়ম পূৰণ কৰাৰ অন্তত বিত্ত বিভাগক খৰতকীয়াকৈ পুঁজি মোকলাই দিয়াৰ বাবেও নিৰ্দেশ দিয়ে। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰি দিয়ে যে ৰাজ্যখনৰ উন্নয়নৰ গতিধাৰা অবিৰত ৰূপত চলাই নিয়াৰ দিশত বিত্ত বিভাগে বৃহৎ ভূমিকা পালন কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে বিভাগক বিগত ৫ বছৰত ৰাজ্যখনৰ বিত্তীয় সুস্থিৰতা বজাই ৰখাৰ দিশত গ্ৰহণ কৰা সৰ্বোত্তম উপায়সমূহ অবিৰতভাৱে চলাই নিয়াৰ বাবেও নিৰ্দেশ দিয়ে। বৰ্তমানৰ ৰাজ্য চৰকাৰখনে সকলো শ্ৰেণীৰ জনসাধাৰণৰ বিত্তীয় অন্তৰ্ভুক্তিৰ ওপৰত বিশেষভাৱে গুৰুত্ব প্ৰদান কৰি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে বিত্ত বিভাগক জুলাই মাহক 'অৰুণোদয়' মাহ হিচাপে ঘোষণা কৰাৰ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে বিভাগক আৰু অধিক যোগ্যতাসম্পন্ন হিতাধিকাৰীক এই আঁচনিখনৰ আওতালৈ অনাৰ বাবেও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে যুৱ সবলীকৰণৰ বাবে 'স্বয়ম' আঁচনিৰ অধীনত পুঁজি মোকলাই দিয়াৰ বাবেও নিৰ্দেশ দিয়ে।

# কণ্টেইনমেণ্ট জ'নত টিনৰ বেৰা

আমবাৰী তিনিআলিত, ইটাভাটা পথ অথবা শ্বহীদ কুশল কোঁৱৰ পথ অথবা আইডিয়েল নাৰ্চাৰী স্কুলৰ পথকেইটাত প্ৰশাসনে বাঁহ বান্দি বন্ধ কৰি ৰখাৰ পাছতো একাংশ লোকে বিভিন্ন অজুহাত দেখুৱাই সঘনাই আহ-যাহ কৰি আহিছিল। সেহতীয়াকৈ এই ক্ষেত্ৰত প্ৰশাসনে অধিক কঠোৰ হৈ ১৬ নং ৱাৰ্ডৰ পৰা ওলোৱা-সোমোৱা কৰা শ্বহীদ কুশল কোঁৱৰ পথ, এইডিয়েল নাৰ্চাৰী স্কুলৰ সন্মুখৰ আদি পথসমূহ টিনৰ বেৰেৰে সম্পূৰ্ণকৈ বন্ধ কৰি দিয়াৰ বিপৰীতে ভস্কৰ নগৰৰ বিজু কেবিন সন্মুখৰ পথটোৰ জৰুৰীকালীন সেৱাত খোলা থাকিব। আনহাতে, ১৬ নং ৱাৰ্ডটো কুমাৰপাৰালৈ সোমোৱা পথ, ভৰলুমুখ দিশৰ পৰা সোমোৱা পথসমূহত অযথা যাতায়ত কৰা বাহনৰ ক্ষেত্ৰত আৰক্ষী প্ৰশাসনে কঠোৰ হোৱা পৰিলক্ষিত হৈছে। তাৰোপৰি, কামৰূপ জিলাৰ উপায়ুক্ত বিশ্বজিৎ পেগুই ১৬ নং ৱাৰ্ডৰ ফটাশিল আমবাৰী, চাইকেল ফেক্টৰী অঞ্চল পৰিদৰ্শন কৰে।

# ক'লা ভেকুৰ সংক্ৰমণ

কাণপুৰ মথুৰা আৰু গাজিয়াবাদত ৩ জনকৈ আৰু আগ্ৰাত ১ জন লোক ব্লেক ফাংগাছৰ দ্বাৰা সংক্ৰমিত হৈছে। ইফালে কাণপুৰত ২ জন কোভিড সংক্ৰমিত লোকৰ মৃত্যু ঘটিছে। লক্ষ্ণৌত এই সংক্ৰমণৰ বলি হোৱা এজন লোকে দৃষ্টি শক্তি হেৰুৱাবলগীয়া হয়। এই ভয়াৱহ ভেঁকুৰৰ সংক্ৰমণে গুৰুতৰ ৰূপ ধাৰণ কৰাৰ পূৰ্বে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে প্ৰাৰম্ভিক অৱস্থাতে এই সংক্ৰমণ প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ ১৪ জনীয়া স্বাস্থ্য বিশেষজ্ঞ কমিটিক নিৰ্দেশ দিয়া হৈছে। লক্ষ্ণৌৰ কিং জৰ্জেছ মেডিকেল চিকিৎসালয়ে সদৰি কৰা মতে, যোৱা তিনি মাহত এই চিকিৎসা প্ৰতিষ্ঠানত মাৰাত্মক ক'লা ভেঁকুৰৰ সংক্ৰমণৰ ৭টা ঘটনা পোহৰলৈ আহিছে। অৱশ্যে চাৰিজন সংক্ৰমিত লোক চিকিৎসালয়খনৰ এই চি ইউত সুস্থ হৈ থকা বুলি কোৱা হৈছে।

# ২৪ ঘণ্টাই কাৰ্যম হৈ থকা চৰকাৰৰ প্ৰতিশ্ৰুতি

ৰাজ্য চৰকাৰৰ স্থিতি স্পষ্ট। প্ৰকাশৰ পাছৰে পৰা ৰাজ্য চৰকাৰে সীমান্ত অঞ্চলৰ জিলাসমূহত এন আৰ চিৰ ২০ শতাংশ পুনৰীণ বিচাৰিছে আৰু আন জিলাত১০ শতাংশ পুনৰীণ হোৱাটো বিচাৰিছে। সংবাদমেলৰ প্ৰথমেই মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যখনক বিকাশৰ নতুন মাত্ৰা আৰু দেশৰ ৫ শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰৰ অন্যতমৰূপে নিৰ্মান কৰিবলৈ নতুন চৰকাৰখনে কাম কৰিব। কেবিনেট ৰাজ্যৰ শেহতিয়া পৰিস্থিতি, এবছৰৰ ভিতৰত ৰ লাখ নিবনুৱাৰ কৰ্মসংস্থাপন, মাই ত্ৰ'ফাই নেন্সৰ ঋণৰ দুৰ্ব্যৱহাৰ আৰু ঋণৰ পৰা মুক্ত কৰা, বানমুক্ত অসম গঢ়া আদিৰ ওপৰত আলোচনা কৰিব। নিৰ্বাচনৰ সময়ত চৰকাৰখনে বহু প্ৰতিশ্ৰুতি দিছিল। এই সমূহ নিৰ্ধাৰিসময়ৰ ভিতৰতে যাতে পালন কৰিব পাৰি তাৰ বাবেও ব্যৱস্থা ল'ব। প্ৰতিটো প্ৰতিশ্ৰুতি কিদৰে বাস্তৱত ৰূপায়ণ কৰিব পাৰি তাৰ বাবে কাইলৈৰ পৰা আলোচনা হ'ব আৰু নিৰ্ধাৰিত সময় সন্মুখত ৰাখি চৰকাৰখন নিজৰ কামত আগবাঢ়ি যাব। ৰাজ্যখনত শান্তি প্ৰতিষ্ঠাৰ এই ধাৰা অব্যাহত ৰখাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰীয়ে প্ৰথমখন সংবাদমেলতে আলফা(স্বাঃ)ৰ সেনাধ্য পৰেশ বৰুৱাক আলোচনাৰ মাজলৈ নিমন্ত্ৰণ জনায়। তেওঁ কয় যে আলোচনাৰ মাজেৰেহে অসমত স্থায়ী শান্তি প্ৰতিষ্ঠা হ'ব। কোভিডৰ পৰিস্থিতি নিয়ন্ত্ৰণ কৰাটোৱে চৰকাৰখনৰ প্ৰথম কাম হ'ব বুলি উল্লেখ কৰি ড° হিমন্ত বিশ্ব শৰ্মাই পুনৰাই কয় যে ৰাজ্যৰ কোভিড পৰিস্থিতি উদ্বেগজনক হৈ আছে। দৈনিক পাঁচ হেজাৰৰ অধিক লোক আত্ৰক্ৰান্ত হোৱাটো স্বাভাৱিকতে চিন্তনীয় বিষয়। সেয়ে চৰকাৰে প্ৰথমে কোভিড নিয়ন্ত্ৰণৰ ওপৰত জোৰ দিব। নিশা ১২বজা, পুৱা ৫বজা আৰু দুপৰীয়া ১২বজাতো কাৰ্যম হৈ থকা এখন চৰকাৰ ৰাইজে লাভ কৰিব। ইফালে বিদায়ী চৰকাৰে ৰাজকোষ উদং কৰি যোৱা বুলি বাতৰি প্ৰকাশ পাই আছে ইয়াকো নস্যাৎ কৰে নৱনিযুক্ত মুখ্যমন্ত্ৰীগৰাকীয়ে।

# হেমেন বৰগোহাঁইৰ মহাপ্ৰস্থান

ৰাজ্যৰ প্ৰখ্যাত সাহিত্যিক গৰাকীয়ে ৬.৫৮ বজাত শেষ নিশ্বাস ত্যাগ কৰে। মন কৰিবলগীয়া কথা যে বিশিষ্ট সাহিত্যিক-সাংবাদিক হেমেন বৰগোহাঞিও যোৱা ২.৪এপ্ৰিলত কৰ'নাত আক্ৰান্ত হোৱাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় চিকিৎসালয় জি এম চি এইচত ভৰ্তি হ'বলগীয়া হৈছিল । পাছত যোৱা ৭ মে'ত কৰ'না নিগেটিভ হোৱাত ৮ মে'ত সাহিত্যিকগৰাকী হেঙেৰাবাৰীস্থ বাসগৃহলৈ আহে। কৰনাৰ পৰা আৰোগ্য লাভ কৰিলেও সাহিত্যিকগৰাকী শাৰীৰিকভাৱে যথেষ্ট দুৰ্বল হৈ পৰে। ইপিনে পুৱাতেই বিশিষ্ট সাহিত্যিকগৰাকীৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে ৰাজ্যজুৰি শোকৰ বন্যা বোৱাৰ লগতে চিকিৎসালয়খনত তেওঁৰ যথেষ্ট শুভাকাংক্ষী-গুণমুগ্ধৰ সমাগম হয়। সকলোৱে প্ৰিয় সাহিত্যিকগৰাকীৰ নশ্বৰদেহত শেষ শ্ৰদ্ধা জ্ঞাপন কৰে।


জনতাৰ চৰকাৰ
my GOV मेरी सरकार
যদি আপুনি ওঠৰ বছৰ বয়সৰ উৰ্ধৰ ব্যক্তি, তেন্তে
পঞ্জীয়ন কৰক ক'ভিড প্ৰতিষেধকৰ বাবে
২৮ এপ্ৰিল, ২০২১ৰ পৰা
পঞ্জীয়ন কৰক
C-WIN
কৱিন এপ্ (cowin.gov.in)
অথবা
আৰোগ্য সেতু এপ্
(aarogyasetu.gov.in)ৰ যোগেদি
Aarogya Setu
প্ৰয়োজনীয় সমল
মোবাইল নম্বৰ আৰু আধাৰ নম্বৰ অথবা অইন যিকোনো বৈধ পৰিচয় পত্ৰৰ সৈতে
১. সমীপৰ প্ৰতিষেধক কেন্দ্ৰ বাছনি কৰক
২. প্ৰতিষেধক প্ৰদানৰ তাৰিখ নিৰ্বাচন কৰক
৩. প্ৰতিষেধক গ্ৰহণেৰে স্বাস্থ্যজনিত নিৰাপত্তা লাভ কৰক
সুৰক্ষিত হৈ থাকক, আনকো সুৰক্ষিত কৰি ৰাখক
JANASANYOG-125/21
পঞ্জীয়ন কৰক :
assam.mygov.in
/mygovassam
Follow us /@diprassam https://dipr.assam.gov.in/
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

**E-mail us-**
**rongilibartamedhi@gmail.com**

**Rongili Barta**
GUWAHATI—781025
১ জেঠ, ১৪২৭ চন Rongili Barta, Date of Published- 16 MAY, 2021

# আই চি চিৰ টেষ্ট ৰেংকিঙত শীৰ্ষ স্থানত টীম ইণ্ডিয়া



বাৰ্ত্তাসেৱাঃ- আই চি চিৰ টেষ্ট ৰেংকিঙত শীৰ্ষ স্থান অক্ষুণ্ণ ৰাখিলে বিৰাট কোহলি নেতৃত্বাধীন টীম ইণ্ডিয়াই । বৃহস্পতিবাৰে বিশ্ব ক্ৰিকেটৰ সৰ্বোচ্চ সংস্থাটোৱে প্ৰকাশ কৰা বাৰ্ষিক টেষ্ট ৰেংকিঙত নিউজিলেণ্ডক অতিক্ৰমী পুনৰ শীৰ্ষ স্থান অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হ'ল ভাৰতীয় টেষ্ট দলটোৱে। প্ৰকাশিত তালিকা অনুসৰি ২৪ খন মেচৰ পৰা ১২১ ৰেটিং তথা ২৯১৪ পইণ্টেৰে শীৰ্ষ স্থানত আছে ভাৰতীয় টেষ্ট দলটো। ইয়াৰ বিপৰীতে ভাৰততকৈ কিছু পইণ্টৰ ব্যৱধানত থকা নিউজিলেণ্ডে ১৮ খন টেষ্টৰ পৰা ১২০ ৰেটিঙেৰে ২১৬৬ পইণ্ট লাভ কৰি দ্বিতীয় স্থানতে সন্তুষ্ট থাকিবলগীয়া হ'ল। ভাৰতে শেহতীয়াকৈ অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ২-১ ব্যৱধানত শৃংখলা জয় কৰিছিল। ইয়াৰ পাছতে ইংলেণ্ডৰ বিৰুদ্ধে অনুষ্ঠিত ঘৰুৱা টেষ্ট শৃংখলাত টীম ইণ্ডিয়াই জয় সাব্যস্ত কৰিছিল ৩-১ ব্যৱধানত । এই দুই শৃংখলা জয়ৰ সুবাদতে তালিকাৰ শীৰ্ষ স্থানত আৰোহণ কৰে টীম ইণ্ডিয়াই। ইয়াৰ বিপৰীতে নিউজিলেণ্ড দলটোৱেও বিগত সময়ছোৱাত দুটা টেষ্ট শৃংখলা দখল কৰিবলৈ সক্ষম হৈছিল। দলটোৱে ৱেষ্ট ইণ্ডিজ আৰু পাকিস্তানৰ বিৰুদ্ধে অনুষ্ঠিত টেষ্ট শৃংখলা দুটা জয় কৰাৰ পাছতে তালিকাৰ দ্বিতীয় স্থানত উপৱিষ্ট হয়। ভাৰত আৰু নিউজিলেণ্ড প্ৰথম আৰু দ্বিতীয় স্থানত থকাৰ বিপৰীতে তালিকাৰ তৃতীয় স্থানত আছে ইংলেণ্ড। ১০৯ ৰেটিঙেৰে ইংলেণ্ড তালিকাৰ তৃতীয় স্থানত থকাৰ বিপৰীতে ১০৮ ৰেটিঙেৰে তালিকাৰ চতুৰ্থ স্থানত আছে অষ্ট্ৰেলিয়া। ইয়াৰ পাছতে ৯৪ ৰেটিঙেৰে পাকিস্তান পঞ্চম স্থানত থকাৰ বিপৰীতে ষষ্ঠ স্থানত আছে ৱেষ্ট ইণ্ডিজ । একেদৰে তালিকাখনৰ সপ্তম স্থানত দক্ষিণ আফ্ৰিকা, অষ্টম স্থানত শ্ৰীলংকা, নৱম স্থানত বাংলাদেশ থকাৰ বিপৰীতে ৩৫ ৰেটিঙেৰে তালিকাৰ অন্তিম স্থানত আছে জিম্বাব'ৱে। ইফালে মাত্ৰ কেইটামান পইণ্টৰ ব্যৱধানত প্ৰথম আৰু দ্বিতীয় হৈ থকা ভাৰত আৰু নিউজিলেণ্ডৰবাবে বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলখন গুৰুত্বপূৰ্ণ হৈ পৰিছে। কিয়নো এই ফাইনেলখনৰ ফলাফলে টেষ্ট ৰেংকিঙত স্পষ্টভাৱে প্ৰভাৱ পেলাব।

## ইংলেণ্ডত টেষ্ট চেম্পিয়নশ্বিপত নিউজিলেণ্ডৰ বিৰুদ্ধে ভাৰত

বাৰ্ত্তাসেৱাঃ- ইংলেণ্ডত অনুষ্ঠিত হ'বলগীয়া টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব টীম ইণ্ডিয়া। বিশ্বকাপৰ ফাইনেল মেচখনত টীম ইণ্ডিয়া অৱতীৰ্ণ হ'ব যদিও এনে এখন গুৰুত্বপূৰ্ণ মেচৰ বাবে পৰ্যাপ্ত অনুশীলন কৰিবলৈ সুযোগ লাভ কৰা নাই। টীম ইণ্ডিয়াই পৰ্যাপ্ত অনুশীলনৰ অভাৱত বা অসম্পূৰ্ণ প্ৰস্তুতিয়ে ফাইনেলখনত টীম ইণ্ডিয়াৰ ওপৰত কোনো বিৰূপ প্ৰভাৱ নেপেলায়। এই মন্তব্য টীম ইণ্ডিয়াৰ বলিং প্ৰশিক্ষক ভৰত অৰুণৰ। তেওঁৰ লগতে আৰ শ্ৰীধৰেও কয় যে এই মুহূৰ্তত পৰ্যাপ্ত প্ৰস্তুতিৰ বাবে কোনো ধৰণৰ বিকল্প নাই। একেদৰে ইংলেণ্ডত উপস্থিত হোৱাৰ পাছত কিমান দিন কোৱাৰেণ্টীনত থাকিব লাগিব সেই কথাও এতিয়ালৈকে নিশ্চিত হোৱা নাই। ফাইনেলৰ




পূৰ্বে অনুশীলনমূলক মেচ খেলিবলৈ দলটোৱে সুযোগ লাভ কৰে নে নকৰে সেয়াও অনিশ্চয়তাৰ মাজত। সেয়ে এই মুহূৰ্তত এটা কথাই প্ৰধান হৈ পৰিছে যে দলৰ সকলো মানসিকভাৱে শক্তিশালী হৈ থাকিবই লাগিব। এনে সময়ত টীম ইণ্ডিয়াৰ অভিজ্ঞতা খেলুৱৈসকলৰ বাবে মূল চালিকা শক্তি হৈ পৰিব। ইফালে এনে এক আহুকলীয়া পৰিস্থিতিৰ সন্মুখীন হৈ থকাৰ সময়তে ফাইনেলৰ পূৰ্বে যথেষ্ট সুবিধাজনক স্থিতিত থাকিব নিউজিলেণ্ড। কিয়নো ফাইনেলখন অনুষ্ঠিত হোৱাৰ পূৰ্বে নিউজিলেণ্ডে অনুশীলনৰ সুন্দৰ সুযোগ লাভ কৰিব। ফাইনেলৰ পূৰ্বে পূৰ্ব নিৰ্ধাৰিত সূচী অনুসৰি ইংলেণ্ডৰ বিৰুদ্ধে দুখন টেষ্টত অংশ ল'ব নিউজিলেণ্ডে। স্বাভাৱিকতে টীম ইণ্ডিয়াৰ তুলনাত ইংলেণ্ডৰ পৰিৱেশত নিজকে খাপ খোৱাবলৈ সুযোগ পালে নিউজিলেণ্ডে। এনে হ'লেও ভাৰত বেকফুটত নাথাকে বুলি উল্লেখ কৰি ভৰত অৰুণে কয় যে ইংলেণ্ডৰ মাটিত আমাৰ অতীতৰ অভিজ্ঞতাক ব্যৱহাৰ কৰিয়ে দলটো আগুৱাই যাব লাগিব।

## শ্ৰীলংকা ভ্ৰমণলৈ যাব টীম ইণ্ডিয়া



বাৰ্ত্তাসেৱাঃ- ক'ৰ'না কালতে এক চমু ভ্ৰমণসূচী লৈ চুবুৰীয়া ৰাষ্ট্ৰ শ্ৰীলংকাত উপস্থিত হ'ব ভাৰতীয় ক্ৰিকেট দলটো। এই কথা প্ৰকাশ কৰিছে বি চি চি আইৰ সভাপতি সৌৰভ গাংগুলীয়ে। তেওঁ কয় যে জুলাই মাহত চমু ভ্ৰমণসূচী লৈ দ্বীপ ৰাষ্ট্ৰখনত উপস্থিত হ'ব কোহলি বাহিনী। এই সময়ছোৱাত ভাৰতীয় দলটোৱে এটা এদিনীয়া শৃংখলাৰ লগতে টী-২০ অৱতীৰ্ণ হ'ব। ইফালে আই পি এল পুনৰ আৰম্ভ হ'ব নেকি সোধা এক প্ৰশ্নৰ উত্তৰত সৌৰভ গাংগুলীয়ে কয় যে আই পি এল ভাৰতত অনুস্থিত কৰাটো সম্ভৱ নহয়। কিয়নো কোৱেনটাইন বিধি যথেষ্ট কঠোৰ হৈ পৰিছে। সেয়ে আই পি এলৰ পৰৱৰ্তী মেচসমূহ অনুস্থিত কৰিব পৰা হ'ব নে নহয় সেই সন্দৰ্ভত কোনো কথা নিশ্চিতভাৱে ক'ব নোৱাৰি। কিন্তু ইয়াৰ মাজতে আই চি চিৰ সূচী অনুসৰি এক চমু ভ্ৰমণসূচী লৈ টীম ইণ্ডিয়া শ্ৰীলংকাত উপস্থিত হোৱাটো নিশ্চিত হোৱা বুলি তেওঁ লগতে সদৰি কৰে। এই ভ্ৰমণসূচীত টীম ইণ্ডিয়াই তিনিখন এদিনীয়া শৃংখলাৰ লগতে পাঁচখন টী-২০ত অংশগ্ৰহণ কৰিব।

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃ সম্পাদকঃ-শ্ৰী ধীৰেণ ভট্টাচাৰ্য্য সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor : Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286